# 2018

## ASSAMESE

( Major )

Paper : 6.6

( ভাষা-বিজ্ঞানৰ পৰিচয় )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) ভাষাৰ ন্যূনতম একক কি?

(খ) *An Introduction to Descriptive Linguistics* গ্ৰন্থখনৰ লেখক কোন?

(গ) Grammar শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ কি?

(ঘ) কিছুমান ভাষাত প্ৰাণী-অপ্ৰাণীৰ ভেদ নাৰাখিও লিঙ্গভেদ দেখুওৱা হয়। এই লিঙ্গক কি বুলি কোৱা হয়?

(ঙ) ভাষাৰ স্বয়ংসম্পূৰ্ণ সুকীয়া উপাদানটোক বহল অৰ্থত কি বোলা হয়?

(চ) ৰূপৰ অৰ্থবহ সমষ্টিক কি বোলে ?

(ছ) ভাষাৰ বৃহত্তম একক কি ?

২। চমু উত্তৰ লিখা :

(ক) "বাক্ধ্বনিৰ কোনো নিজস্ব অৰ্থ নাই।" কথাষা… উদাহৰণেৰে বুজাই লিখা।

(খ) শ্বাসাঘাত বুলিলে কি বুজা ?

(গ) শূন্য বিভক্তি কি ?

(ঘ) শব্দৰ অৰ্থৰ অৱনতি বুলিলে কি বুজা ?

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×…

(ক) ধ্বনিতত্ত্ব (Phonology) আৰু ধ্বনিবিজ্ঞান (Phonetics)

(খ) সমকালিক (Synchronic) আৰু কালক্ৰমিক (Diachronic) ভাষা-বিজ্ঞান

(গ) পিজিন (Pidgin) আৰু ক্ৰেওল (Creole)

(ঘ) বাক্যত ব্যৱহৃত শব্দবোৰৰ শ্ৰেণী বিভাজন

(ঙ) শব্দৰেখা (Isogloss)

৪। (ক) ধ্বনিবিজ্ঞান বুলিলে কি বুজা? ইয়াৰ আলোচ্য বিষয় কি কি? ধ্বনিবিজ্ঞানৰ বিভিন্ন শাখাৰ চমু পৰিচয় দাঙি ধৰা। ২+২+৬=১০

*অথবা*

(খ) প্ৰাকৃতি কাক বোলে? আকৃতিৰ পৰা কিদৰে প্ৰাকৃতি নিৰ্ণয় কৰিব পাৰি, আলোচনা কৰা। ৩+৭=১০

৫। (ক) ভাষা-বিজ্ঞান বুলিলে কি বুজা? ভাষা-বিজ্ঞানক 'বিজ্ঞান' বোলাৰ যুক্তি আছেনে? ঐতিহাসিক আৰু তুলনামূলক ভাষা-বিজ্ঞানৰ বিষয়ে বহলাই আলোচনা কৰা। ২+২+৬=১০

*অথবা*

(খ) উপভাষা-বিজ্ঞান বুলিলে কি বুজা? উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা আগবঢ়োৱা। ২+৮=১০

৬। (ক) শব্দাৰ্থ বিজ্ঞানৰ সংজ্ঞা নিৰূপণ কৰি শব্দৰ অৰ্থ পৰিৱৰ্তনৰ কাৰণবোৰ উদাহৰণসহ আলোচনা কৰা। ১০

*অথবা*

(খ) বাকতত্ত্ব কি? বাক্যক কি কি দিশৰ পৰা শ্ৰেণী বিভাজন কৰিব পাৰি? গঠনৰীতিৰ দিশৰ পৰা বাক্যক ভাগ কৰি, প্ৰতিটি ভাগৰ বিষয়ে আলোচনা কৰা। ২+২+৬=১০

★★★